
# পাঠ - ১৭
# আমাৰ ৰাজ্যখন

আমাৰ দেশখনৰ নাম ভাৰতবৰ্ষ। ভাৰতবৰ্ষৰ উত্তৰ-পূব অংশত আমাৰ ৰাজ্য অসম অৱস্থিত। এই অসম ৰাজ্যতেই আমি বাস কৰোঁ। ইয়াৰ মাজেৰে বিশাল ব্ৰহ্মপুত্ৰ নৈ বৈ গৈছে। ভিন ভিন গছ-গছনি, পৰ্বত-পাহাৰ, নদ-নদী আদিৰে ভৰা অসমৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোমোহা। ভাৰতৰ পূব অংশত অৱস্থিত বাবে আমাৰ অসমক সূৰ্য উঠা দেশ বুলিও কোৱা হয়। অসম ৰাজ্যৰ ওচৰতে দুখন বিদেশী ৰাষ্ট্ৰও আছে। সেইদুখন হ'ল ভূটান আৰু বাংলাদেশ।

তলত দিয়া মানচিত্ৰ দুখন চাওঁ আহা




➢ ভাৰতবৰ্ষৰ মানচিত্ৰখনত আমাৰ ৰাজ্য অসমখন বিচাৰি পাইছানে?

➤ এতিয়া সিপিঠিত দিয়া মানচিত্র দুখন চাই তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা-

(ক) অসম ৰাজ্যৰ দক্ষিণ দিশত অৱস্থিত ৰাজ্যবোৰৰ নাম কি কি?

(খ) অসম ৰাজ্যৰ উত্তৰ-পূব দিশত থকা ৰাজ্যখনৰ নাম কি?

অসম এখন নৈ-প্ৰধান ৰাজ্য। অসমৰ প্ৰধান নৈ দুখন হৈছে- ব্ৰহ্মপুত্ৰ আৰু বৰাক। চুবুৰীয়া ৰাষ্ট্ৰ আৰু ৰাজ্যসমূহৰ পাহাৰীয়া অঞ্চলৰ পৰা অনেক উপনৈ বৈ আহি এই নৈ দুখনত পৰিছে। অসমৰ নৈ-উপনৈ সমূহে ঘাইকৈ বৰষুণৰ পৰাই পানী পায়। ইয়াৰ উপৰি হিমালয় পৰ্বতৰ পৰা বৰফ গলি বৈ অহা পানীও পায়।

প্ৰাকৃতিকভাবে অসম এখন বৈচিত্ৰ্যময় ৰাজ্য। অসম বিভিন্ন পৰ্বত-পাহাৰ, মালভূমি, সমভূমি আদিৰে গঠিত। এইবোৰৰ ওপৰত ভিত্তি কৰিয়েই অসমক প্ৰধানকৈ তিনিটা প্ৰাকৃতিক বিভাগত ভাগ কৰা হৈছে। এই বিভাগকেইটা হ'ল-

(ক) ব্ৰহ্মপুত্ৰ উপত্যকা

(খ) বৰাক উপত্যকা

(গ) পাহাৰীয়া অঞ্চল

ব্ৰহ্মপুত্ৰ আৰু বৰাক আৰু ইয়াৰ উপনৈসমূহে সৃষ্টি কৰা সমভূমি অঞ্চল দুটাকে **ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা** নামেৰে জনা যায়। এই দুই উপত্যকা অঞ্চলৰ মাজভাগতেই **পাহাৰীয়া অঞ্চল** অৱস্থিত। অৰ্থাৎ আমাৰ ৰাজ্যখনৰ উত্তৰ অংশত ব্ৰহ্মপুত্ৰ উপত্যকা আৰু দক্ষিণ অংশত বৰাক উপত্যকা আছে। দৰাচলতে পাহাৰীয়া অঞ্চলটো **কাৰ্বি মালভূমি** আৰু **উত্তৰ কাছাৰ পাৰ্বত্য ভূমি**ৰে গঠিত।


**ক্ৰিয়া-কলাপ**

➤ তলত দিয়া নৈসৰ্গিক চিত্ৰখন ৰং কৰা-



**সিপিঠিত দিয়া মানচিত্ৰখনৰ পৰা আমাৰ প্ৰাকৃতিক বিভাগ আৰু নৈ-উপনৈসমূহৰ অৱস্থান সম্পৰ্কে জানি লওঁ আহা-**

# অসমৰ প্ৰাকৃতিক বিভাগ



- সিপিঠিৰ মানচিত্ৰখন চাই তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা-

  (ক) অসমৰ প্ৰধান নৈ দুখনৰ নাম।

  (খ) ব্ৰহ্মপুত্ৰ নৈৰ পাঁচখন উপনৈৰ নাম।

  (গ) বৰাক নৈৰ দুখন উপনৈৰ নাম।

  (ঘ) তোমাৰ জিলাখন কোনটো প্ৰাকৃতিক বিভাগত পৰে?

  (ঙ) অসমৰ কোনটো প্ৰাকৃতিক বিভাগে অধিক ঠাই আগুৰি আছে?

  (চ) বৰাক উপত্যকা অসমৰ কোন দিশত অৱস্থিত?

জানি লওঁ আহা-




- বহু ঠাই জুৰি গছ-গছনিৰে ভৰা উচ্চ শিলাময় অংশবোৰেই হৈছে **পাহাৰ**।
- পাহাৰতকৈ ওখ আৰু বহুদূৰ বিয়পি থকা শিলাময় অংশক **পৰ্বত** বোলা হয়।
- কোনো পৰ্বত-পাহাৰত উৎপত্তি হৈ নানা ঠাইৰ মাজেদি বৈ আহি কোনো সাগৰ বা হ্ৰদত গৈ পৰা পানীভাগক **নৈ** বা **নদী** বোলে।
- কোনো পৰ্বত-পাহাৰ বা হ্ৰদত উৎপত্তি হৈ নানা ঠাইৰ মাজেদি বৈ আহি কোনো নৈত পৰা পানী ভাগক **উপনৈ** বোলে।
- বহু ঠাই জুৰি থকা উচ্চ আৰু উপৰিভাগটো কিছু সমান ভূমিভাগেই হৈছে **মালভূমি**।
- পৰ্বত-পাহাৰ নথকা আহল-বহল সমতল ঠাইক **সমভূমি** বোলে।
- দুশাৰী পৰ্বত বা দুই উচ্চ অংশৰ মাজৰ নামনি অঞ্চলত এখন নৈ বা উপনৈয়ে সৃষ্টি কৰা সমতল ভূমিক **উপত্যকা** বোলে।

- লিপিঠিত দিয়া অসমৰ মানচিত্ৰখন চাই তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ লিখা-
    - অসমৰ চাৰিসীমাত কি কি ৰাজ্য আছে?
    - অসমৰ ওচৰত থকা বিদেশী ৰাষ্ট্ৰ দুখনৰ নাম কি?
    - অসমৰ ৰাজধানীৰ নাম লিখা।


**জানি লওঁ আহা-**


- অসমত পৰ্বত, পাহাৰ, মালভূমি আৰু সমভূমি আছে।
- ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাত থকা দুয়োখন প্ৰধান নৈৰ বহুতো উপনৈ আছে।
- কাৰ্বি আংলং আৰু ডিমা হাছাও জিলা অসমৰ পাহাৰীয়া অঞ্চলৰ অন্তৰ্গত।
- ডিমা হাছাও জিলাত বৰাইল নামৰ এটা ওখ পৰ্বত-শ্ৰেণী আছে।

মানচিত্ৰ এখনত পৰ্বত, পাহাৰ, নদ-নদী আদি বিভিন্ন তথ্য বুজাবলৈ কিছুমান 'চিন' ব্যৱহাৰ কৰা হয়। মানচিত্ৰত ব্যৱহাৰ কৰা এই চিনবোৰেই হৈছে সাংকেতিক চিহ্ন। এই চিহ্নবোৰৰ ব্যৱহাৰ বুজিলেহে মানচিত্ৰত থকা তথ্যবোৰ বুজিব পাৰি। তলৰ তালিকাৰ পৰা এই চিহ্নবোৰ জানি লওঁ আহা-

| মানচিত্ৰত ব্যৱহাৰ কৰা সাংকেতিক চিহ্ন | | | |
|---|---|---|---|
| আন্তৰ্জাতিক সীমা |  | ৰাজ্যৰ সীমা |  |
| জিলাৰ সীমা |  | জিলাৰ সদৰ ঠাই |  |
| ৰে'ল-পথ |  | ৰাজ্যৰ ৰাজধানী |  |
| নৈ |  | উপনৈ |  |
| পৰ্বত-পাহাৰ |  | ৰাষ্ট্ৰীয় ঘাইপথ |  |

মানচিত্ৰ এখন সাধাৰণতে একোখন ঠাই বা অঞ্চলৰ বিভিন্ন তথ্য দেখুৱাবলৈ অঁকা হয়। মানচিত্ৰত ঠাই এখনৰ সঠিক অৱস্থান জানিবলৈ দিশৰ বিষয়েও জনাৰ প্ৰয়োজন। সাধাৰণতে মানচিত্ৰ এখনত ওপৰৰ ফালে উত্তৰ, তলৰ ফালে দক্ষিণ, সোঁফালে পূব আৰু বাওঁফালে পশ্চিম দিশ হিচাবে ধৰা হয়। মানচিত্ৰত এই দিশৰ ধাৰণা দিবলৈ কাষত দেখুওৱাৰ দৰে এটি সূচক চিহ্ন আঁকি থোৱা থাকে যিটো আমাৰ পাঠ্যপুথিৰ মানচিত্ৰত ব্যৱহাৰ কৰা হৈছে।




অসমৰ মানচিত্ৰ
ভূটান
অৰুণাচল প্ৰদেশ
নাগালেণ্ড
মেঘালয়
বাংলাদেশ
মণিপুৰ
ত্ৰিপুৰা
মিজোৰাম
কোকৰাঝাৰ
চিৰাং
বাগছা
উদালগুৰি
শোণিতপুৰ
বিশ্বনাথ
লখিমপুৰ
ধেমাজি
ডিব্ৰুগড়
তিনিচুকীয়া
চৰাইদেউ
শিৱসাগৰ
যোৰহাট
গোলাঘাট
কাৰ্বি আংলং (পূব)
কাৰ্বি আংলং (পশ্চিম)
হোজাই
ডিমা হাচাও
কাছাৰ
দৰং
মৰিগাঁও
নগাঁও
বৰপেটা
গোৱালপাৰা
বঙাইগাঁও
ধুবুৰী
দক্ষিণ শালমৰা মানকাচৰ
তেজপুৰ
হোজাই
উঃ
দঃ
পূঃ
পঃ
মানচিত্ৰ মাপনি অনুসৰি নহয়

## অনুশীলনী

১। উত্তৰ লিখা-

(ক) অসমৰ প্ৰধান প্ৰাকৃতিক বিভাগ কেইটা আৰু কি কি?

(খ) অসমৰ প্ৰধান নৈ দুখনৰ নাম কি কি?

(গ) অসম ৰাজ্যৰ ওচৰতে থকা বিদেশী ৰাষ্ট্ৰ কেইখনৰ নাম কি কি?

(ঘ) অসমৰ চাৰিসীমা লিখা।

(ঙ) বৰাক উপত্যকাত থকা জিলাকেইখনৰ নাম কি কি?

২। খালী ঠাই পূৰ কৰা-

(ক) অসম ৰাজ্যৰ উত্তৰ অংশত ব্ৰহ্মপুত্ৰ উপত্যকা আছে।

(খ) আমাৰ দেশ ভাৰতৰ পূব অংশত অসম ৰাজ্য অৱস্থিত।

(গ) মানচিত্ৰত পৰ্বত, পাহাৰ, নৈ আদি বুজাবলৈ ব্যৱহাৰ কৰা চিনবোৰক সাংকেতিক চিহ্ন বোলে।

(ঘ) অসমৰ দক্ষিণ অংশত বৰাক উপত্যকা আছে।

৩। শুদ্ধ উত্তৰটো বাচি উলিয়াই লিখা-

(ক) অসমক প্ৰধানকৈ দুটা/তিনিটা/চাৰিটা প্ৰাকৃতিক বিভাগত ভাগ কৰা হৈছে।

(খ) ব্ৰহ্মপুত্ৰ উপত্যকা অসম ৰাজ্যৰ উত্তৰ/দক্ষিণ/পূব অংশত।

(গ) অসম ৰাজ্যৰ ওচৰত দুখন/তিনিখন/চাৰিখন বিদেশী ৰাষ্ট্ৰ আছে।

(ঘ) মানাহ/সোৱণশিৰি/ধলেশ্বৰী হ'ল বৰাক নৈৰ উপনৈ।

৪। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা-



| 'ক' | 'খ' |
|---|---|
| | জিলাৰ সদৰ ঠাই |
| | আন্তৰ্জাতিক সীমা |
| | ৰে'ল-পথ |
| | নৈ |
| | জিলাৰ সীমা |
| | পৰ্বত-পাহাৰ |
| | ৰাজ্যৰ ৰাজধানী |